অধ্যায় ৬ ঃ প্রাথমিক আৰু গৌণ তথ্য

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ প্রাথমিক তথ্য-অর্থ আৰু সংজ্ঞা
    ৬.৩.১ প্রাথমিক তথ্য সংগ্রহ-গুণগত আৰু পৰিমাণগত
    ৬.৩.২ প্রাথমিক তথ্যৰ সুবিধাসমূহ
    ৬.৩.৩ প্রাথমিক তথ্য সংগ্রহৰ অসুবিধাসমূহ
৬.৪ গৌণ তথ্য-অর্থ আৰু সংজ্ঞা
    ৬.৪.১ গৌণ তথ্য সংগ্রহৰ উৎস
    ৬.৪.২ গৌণ তথ্যৰ সুবিধাসমূহ
    ৬.৪.৩ গৌণ তথ্য সংগ্রহৰ অসুবিধাসমূহ
৬.৫ প্রাথমিক তথ্য আৰু গৌণ তথ্যৰ তুলনা
৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো
৬.৭ অধিক জানিবলৈ
৬.৮ অগ্রগতিৰ খতিয়ান
৬.৯ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—


- প্রাথমিক আৰু গৌণ তথ্য সংগ্রহৰ ধাৰণাটো বুজি পাব
- প্রাথমিক আৰু গৌণ তথ্যৰ মাজৰ পার্থক্য ব্যাখ্যা কৰিব পাৰিব
- ভৱিষ্যতে আপোনাৰ নিজৰ গৱেষণাৰ বাবে কোনটো তথ্য সংগ্রহ পদ্ধতি উপযোগী হ'ব সেই বিষয়ে বুজিব পাৰিব।

৬.২ পৰিচয়

সৰল ভাষাত তথ্য হৈছে যিকোনো চলক অথবা পৰিঘটনাৰ বিষয়ে খবৰ। তথ্য সংগ্রহৰ প্রক্রিয়াৰ জৰিয়তে গৱেষকে খবৰ সংগ্রহ আৰু পৰিমাণ কৰে। বিজ্ঞান, সামাজিক বিজ্ঞান, ব্যৱসায় অধ্যয়ন আদি বিষয়ৰ সকলো ধৰণৰ গৱেষণাৰ ক্ষেত্রত তথ্য সংগ্রহ এক গুৰুত্বপূর্ণ অংশ। এই তথ্য সংগ্রহৰ প্রধান লক্ষ্য হৈছে বিশ্লেষণৰ জৰিয়তে গৱেষণাৰ প্রশ্নৰ নির্ভৰযোগ্য উত্তৰ বিচাৰি উলিওৱা। এই তথ্যই গৱেষণাত বিশ্বাসযোগ্যতা আৰু নির্ভৰযোগ্যতা প্রদান কৰে আৰু ইয়াৰ জৰিয়তে গৱেষণাৰ সিদ্ধান্তত উপনীত হবলৈ সহায় কৰে। সেইবাবে এজন গৱেষকে তথ্য সংগ্রহৰ বিভিন্ন পদ্ধতিৰ বিষয়ে ভালদৰে অৱগত হোৱা উচিত। গৱেষণাত তথ্য সংগ্রহৰ বিভিন্ন পদ্ধতি

আছে, এইসমূহক প্রধানকৈ দুটা ভাগত ভগাব পাৰি, প্রাথমিক তথ্য আৰু গৌণ তথ্য। নামে ইংগিত দিয়াৰ দৰেই প্রাথমিক তথ্য হৈছে গৱেষকে পোণপ্রথমবাৰৰ বাবে সংগ্রহ কৰা তথ্য আৰু গৌণ তথ্য হৈছে আগতে কোনোবাই সংগ্রহ অথবা সৃষ্টি কৰা তথ্য।

টেবুল ১ -



৬.৩ প্রাথমিক তথ্য-অর্থ আৰু সংজ্ঞা

গৱেষকৰ প্রত্যক্ষ প্রয়াস আৰু অভিজ্ঞতা আহৰণেৰে কৰল গৱেষণাৰ সমস্যা সমাধানৰ বাবে আহৰণ কৰা তথ্য হৈছে প্রাথমিক তথ্য। ইয়াক পোণপটীয়া, অসংগঠিত অথবা কেঁচা তথ্য বুলিও কোৱা হয়। মুকলি ক্ষেত্র অথবা নিজৰ গৱেষণা ক্ষেত্রৰ ভিতৰত নিজৰ সমস্যা সমাধান কৰিবলৈ গৱেষকে প্রাথমিক তথ্য সংগ্রহ কৰে। এই তথ্য হৈছে পোণপটীয়া তথ্য সংগ্রহৰ প্রত্যক্ষ দৃষ্টিভংগী আৰু এই সংগৃহীত তথ্য গৱেষণাৰ নির্দিষ্ট সমস্যাৰ উত্তৰ বিচাৰি ব্যাখ্যাৰ বাবে ব্যৱহাৰ কৰা হয়। প্রাথমিক তথ্য গুণগত অথবা পৰিমাণগত দুইধৰণৰ হ'ব পাৰে। পৰিমামগত তথ্যত সংখ্যা আৰু পৰিমাপত গুৰুত্ব প্রদান কৰাৰ বিপৰীতে গুণগত তথ্যত মন্তব্য আৰু দৃষ্টিভংগীৰ ওপৰত গুৰুত্ব প্রদান কৰা হয়। প্রাথমিক তথ্য সংগৰহ প্রক্রিয়া ব্যয়বহুল। শৃংখলাবদ্ধভাৱে যদি প্রাথমিক তথ্য সংগ্রহ আৰু বিশ্লেষণ কৰা হয় তেনেহ'লে গৱেষণাটোত বিশ্বাসযোগ্যতা আহি পৰে। সেইবাবে গৱেষক এজনে প্রাথমিক তথ্য সংগ্রহৰ বিভিন্ন প্রক্রিয়াৰ বিষয়ে ভালদৰে জনাটো দৰকাৰ।

৬.৩.১ প্রাথমিক তথ্য সংগ্রহ-গুণগত আৰু পৰিমাণগত


এজন গৱেষকে নিজৰ গৱেষণাৰ প্রাথমিক তথ্য সংগ্রহৰ বাবে বিভিন্ন পদ্ধতি ব্যৱহাৰ কৰিব পাৰে। সাধাৰণতে গুণগত আৰু পৰিমামগত, গৱেষণাৰ এই দুটা ধৰণৰ ওপৰত ভিত্তি কৰি গৱেষকে নিজৰ তথ্য সংগ্রহৰ পদ্ধতি নির্বাচন কৰে। প্রমিাণগত গৱেষণাত তথ্য সংগ্রহৰ আটাইতকৈ সাধাৰণ পদ্ধতিসমূহ হৈছে-

- যান্ত্রিক পর্যৱেক্ষণ
- প্রশ্নাৱলী
- জৰীপ
- অনুসন্ধান অথবা সংপৰীক্ষণ

গুণগত গৱেষণাত প্ৰাথমিক তথ্য সংগ্ৰহৰ সাধাৰণ পদ্ধতিসমূহ হৈছে-

- ব্যক্তিৰ পৰ্যৱেক্ষণ
- সাক্ষাৎকাৰ
- বিষয় অধ্যয়ন
- কেন্দ্ৰীভূত সমূহ আলোচনা
- নৃগোষ্ঠীয় বৰ্ণনা তত্ত্ব

টেবুল ২ - প্ৰাথমিক তথ্য সংগ্ৰহৰ পদ্ধতি



- **পৰিমাণগত গৱেষণাত প্ৰাথমিক তথ্য সংগ্ৰহৰ পদ্ধতি**

- **যান্ত্ৰিক পৰ্যৱেক্ষণ ঃ** যান্ত্ৰিক পৰ্যৱেক্ষণ হৈছে যন্ত্ৰৰ সহায়ত মানৱ জৰিত অথবা মানৱবিহীনভাৱে কৰা পৰ্যৱেক্ষণৰ এক প্ৰকাৰ। ইয়াত তথ্য সংগ্ৰহৰ বাবে বিভিন্ন ধৰণৰ যন্ত্ৰৰ সহায় লোৱা হয় আৰু ইয়াৰ পিছত সংগৃহীত তথ্য গৱেষকে বিশ্লেষণ কৰে। প্ৰযুক্তি উন্নতিৰ লগে লগে পৰ্যৱেক্ষণৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পৰা বিভিন্ন যন্ত্ৰৰ উদ্ভাৱন ঘটিছে। গৱেষণাৰ পৰ্যৱেক্ষণত ব্যৱহৃত এক সাধাৰণ যন্ত্ৰ হৈছে ভিডিঅ'কেমেৰা। আন আন যন্ত্ৰবোৰৰ ভিতৰত আছে ভিডিঅ'মিটাৰ, চাইক'গেলভেনমিটাৰ, দ্য পিউপিল'মিটাৰ, আই কেমেৰা আদি। এইক্ষেত্ৰত সদায় মন কৰিবলগীয়া যে ব্যক্তিৰ অনুমতিসাপেক্ষেহে যান্ত্ৰিক পৰ্যৱেক্ষণ কৰা হয়। যান্ত্ৰিক পৰ্যৱেক্ষণৰ এটা উদাহৰণ হৈছে কেনেধৰণৰ নিউজ চেনেল চায় সেইক্ষেত্ৰত কেমেৰাৰে কৰা ৰেকৰ্ডিং।
- **প্ৰশ্নাৱলী ঃ** সকলো ব্যক্তিৰ পৰা বাস্তৱসম্মত তথ্য আহৰণ কৰিবলৈ পূৰ্বে প্ৰস্তুত কৰা কেতবোৰ প্ৰশ্নৰ সমাহাৰেই হৈছে প্ৰশ্নাৱলী। সাধাৰণতে জৰীপ গৱেষণাত ব্যৱহৃত এক আহিলা হৈছে প্ৰশ্নাৱলী। গৱেষণাৰ বিষয়ৰ সৈতে সংগতি ৰাখি প্ৰস্তুত কৰা এটাৰ পিছত এটা প্ৰশ্নৰ ক্ৰমেই হৈছে প্ৰশ্নাৱলী। এই প্ৰশ্নসমূহ চমু, সৰল, স্পষ্ট, আকৰ্ষণীয় আৰু ভালদৰে ক্ৰমানুসৰি উত্থাপন কৰিব লাগে। এখন প্ৰশ্নাৱলীত দুইধৰণৰ প্ৰশ্ন থাকে- মুক্ত পৰিসৰৰ (উদাহৰণ, বৰ্তমান চৰকাৰৰ ওপৰত আপোনাৰ ধাৰণা কি?) আৰু বন্ধ পৰিসৰৰ (উদাহৰণ, আপুনি সাক্ষৰ নে?)
- **জৰীপ ঃ** গৱেষণা ক্ষেত্ৰৰ সৈতে জৰিত বুলি বিবেচনা কৰা মানুহক প্ৰশ্ন কৰি তথ্য সংগ্ৰহ কৰাৰ পদ্ধতিয়ে হৈছে জৰীপ। ইয়াৰ বাবে গৱেষকে প্ৰশ্নৰ এখন আনুষ্ঠানিক

তালিকা প্রকাশ কৰি ব্যক্তিক কোনো আঁৰ বেৰ নথকাকৈ এই প্রশ্নসমূহ কৰে। জৰীপৰ দ্বাৰা গৱেষকে বহলকৈ সাক্ষাৎকাৰদাতাৰ আর্থ সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক মত আৰু মনোভাৱ আহৰণ কৰিব পাৰে। এই পদ্ধতিৰ জৰিয়তে সংগ্রহ কৰা তথ্য নির্ভৰযোগ্য আৰু ইয়াত ভুল হোৱাৰ সম্ভাৱনা কম। অৱশ্যে বহু সময়ত সাক্ষাৎকাৰদাতাৰ অনিচ্ছা আৰু জানি শুনি ভুল তথ্য দিয়াৰ প্রৱণতাই গৱেষণাক বিপথে পৰিচালিত কৰিব পাৰে।

- **অনুসন্ধান অথবা সম্প্রৰীক্ষণ ঃ** ব্যৱহাৰিক বিজ্ঞান যেনে, পদার্থবিজ্ঞান, ৰসায়ন, জীৱবিজ্ঞান আৰু চিকিৎসাশাস্ত্র আদিৰ লগতে সমাজ বিজ্ঞান যেনে সমাজতত্ত্ব আৰু মনোবিজ্ঞানৰ ক্ষেত্রত অতি বহলভআৱে ব্যৱহৃত পদ্ধতিটোৱে হৈছে সম্প্রৰীক্ষা। সম্প্রৰীক্ষাত গৱেষকে এটা বা দুটা চলকক প্রভাৱান্বিত কৰি নির্ভৰশীল চলকৰ ওপৰত ইয়াৰ প্রভাৱ পৰীক্ষা কৰে। গতিকে ইয়াত এক পদ্ধতিগত আৰু বিজ্ঞানসম্মত দৃষ্টিভংগীৰ প্রয়োজন হয়। সাধাৰণতে সম্প্রৰীক্ষাৰ জৰিয়তে নিশ্চিত পৰিঘটনা ব্যাখ্যা কৰাৰ লগতে একধৰণৰ প্রতিক্রিয়া ব্যাখ্যা কৰা হয়। উদাহৰণস্বৰূপে বিভিন্ন বয়সৰ ব্যক্তিৰ ওপৰত এক নির্দিষ্ট ঔষধৰ প্রভাৱৰ পৰিমাণ।

➢ **গুণগত গৱেষণাৰ প্রাথমিক তথ্য সংগ্রহৰ প্রক্রিয়া**

- **মানৱীয় পর্যৱেক্ষণ ঃ** গৱেষণাৰ অধ্যয়নৰ বাবে পৰিকল্পিতভআৱে মানুহৰ দ্বাৰা কৰা পর্যৱেক্ষণ। ইয়াত পর্যৱেক্ষকে এক প্রাকৃতিক অথবা পৰিচিত পৰিৱেশত নিজৰ গৱেষণাৰ বাবে নির্বাচন কৰা ব্যক্তিসকলৰ আচৰণ নির্বাচন, ৰেকর্ড আৰু বিশ্লেষণ কৰে। জিকমাণ্ড (১৯৯৮)ৰ মতে এইক্ষেত্রত ছটা ভিন্ন দিশ আছে - ক) শাৰিৰীক ক্রিয়া (যেনে কাম কৰাৰ ধৰণ), ২) মৌখিক আচৰণ যেনে দুজন ব্যক্তিৰ কথাবতৰা, ৩) অভিব্যক্তিসুলভ আচৰণ যেনে মুখৰ অভিব্যক্তি, ৪) সময়গত আচৰণ যেনে শাৰিৰীকভাৱে দূৰত্বৰ ক্ষেত্রত ব্যক্তিবিশেষৰ আচৰণ, ৫) সময়ৰ কাৰক যেনে এক নির্দিষ্ট কার্যাৱলীৰ ক্ষেত্রত লোৱা সময় আৰু ৬) মৌখিক ৰেকর্ড (সভাৰ ক্ষেত্রত চিএৱা শ্ল'গান)
- **সাক্ষাৎকাৰ ঃ** সাক্ষাৎকাৰ হৈছে মৌখিক প্রশ্নৰ বিস্তৃত ভাৱে প্রস্তুত, পুনঃগঠন আৰু গ্রহণ কৰাৰ প্রক্রিয়া। গৱেষণাৰ ক্ষেত্রত এই পদ্ধতি অতি উপযোগী আৰু সাধাৰণ সাক্ষাৎকাৰৰ পৰা যথেষ্ট পৃথক। গৱেষণাৰ সাক্ষাৎকাৰৰ ক্ষেত্রত ব্যক্তিগত যোগাযোগ জৰুৰী। ইয়াত সাক্ষাৎকাৰ গ্রহণ কৰাজনে গৱেষণাৰ লক্ষ্য অনুসৰি সাক্ষাৎকাৰদাতাক প্রশ্ন কৰে। এইক্ষেত্রত ব্যক্তিজনৰ প্রতিক্রিয়া শুদ্ধভাৱে ৰেকর্ড কৰা প্রয়োজন যাতে এই তথ্য পৰৱর্তী সময়ত শুদ্ধভাৱে বিশ্লেষণ কৰি শুদ্ধ উত্তৰ লাভ কৰিব পৰা যায়। সাক্ষাৎকাৰ অতি নমনীয় পদ্ধতি আৰু ইয়াক বিভিন্ন ভাগত ভাগ কৰিব পাৰি যেনে- সংগঠিত, অসংগঠিত, মানক, মানকবিহীন, স্বপ্রশাসিত, আনৰ দ্বাৰা প্রশাসিত, ব্যক্তিকেন্দ্রিক, গোট, ব্যক্তিগত, নৈর্ব্যক্তিক, কেন্দ্রীভূত, টেলিফোনিক সাক্ষাৎকাৰ আদি।

- **নমুনা ভিত্তিক অধ্যয়ন পদ্ধতি ঃ** এই অধ্যয়ন হৈছে কোনো এটা পৰিস্থিতিৰ গভীৰতালৈ সোমাই কৰা অধ্যয়ন। ইয়াত এক বিস্তৃত ক্ষেত্ৰৰ পৰা সীমিত পৰিসৰলৈ বিষয়টোক টানি আনি গৱেষণা কৰা হয়। ইয়াৰ বাবে গৱেষকে ব্যক্তি, সংস্থা, সমূদায়, সংগঠন, ঘটনা অথবা সংস্কৃতি আদি ইয়াৰ প্ৰাকৃতিক পৰিৱেশৰ মাজত এক নিৰ্দিষ্ট সময়ৰ ভিতৰত পৰ্যৱেক্ষণ, সাক্ষাৎকাৰ, নথি, সংগৃহীত তথ্য আদি বিভিন্ন পদ্ধতিৰ জৰিয়তে অধ্যয়ন কৰে। সাধাৰণতে বিভিন্ন তথ্য প্ৰমাণৰ সহায়ত কোনো এক সাম্প্ৰতিক পৰিঘটনা বুজিবলৈ বা ইয়াৰ অনুসন্ধান চলাবলৈ এই পদ্ধতি ব্যৱহাৰ কৰা হয়। ক্লিনিকেল মেডিচিন বিষয়ত (এজন ৰোগীৰ ব্যক্তিগত ইতিহাস) প্ৰথমবাৰলৈ ব্যৱহাৰ কৰা এই পদ্ধতি বৰ্তমান গুণগত তথ্য আহৰণৰ অন্যতম আহিলা। এই অধ্যয়নে কোনো এক গৱেষণাৰ সমস্যাৰ বিস্তৃত আৰু সমৃদ্ধ তথ্য প্ৰদান কৰাৰ লগতে সেই দিশত ভৱিষ্যতৰ গৱেষণাৰ বাট মুকলি কৰে। গৱেষণাৰ ক্ষেত্ৰত এই পদ্ধতি অতি উপযোগী আৰু নিৰ্দিষ্ট গৱেষণাৰ সমস্যা সমাধানৰ লগতে ইয়াৰ বিষয়ে গভীৰতালৈ সোমাই জ্ঞান প্ৰদান কৰে।
- **কেন্দ্ৰীভূতসমূহ আলোচনা ঃ** কেন্দ্ৰীভূত সমূহবোৰ ছয়ৰ পৰা ১০ জন লোকেৰে গঠিত এক সৰু সমূহ। ইয়াত এজন দক্ষ মধ্যস্থতাকাৰীৰ সহায়ত মুকলি আলোচনা কৰা হয়। মধ্যস্থতাকাৰীজনে অংশগ্ৰহণকাৰীসকলে অভিজ্ঞতা আহৰণ কৰা এটা নিৰ্দিষ্ট বিষয় অথবা পৰিস্থিতি সন্দৰ্ভত সাক্ষাৎকাৰ গ্ৰহণ কৰে। উদাহৰণস্বৰূপে এক নিৰ্দিষ্ট সম্প্ৰদায়ৰ সকলো ব্যক্তিক তেওঁলোকে শেহতীয়াকৈ অংশ লোৱা এক সাংস্কৃতিক উৎসৱৰ বিষয়ে কৰা প্ৰশ্ন। গতিকে এনেধৰণৰ সাক্ষাৎকাৰে অংশগ্ৰহণকাৰীসকলৰ কেতবোৰ অভিজ্ঞতাৰ প্ৰভাৱ বিশ্লেষণ কৰাৰ প্ৰয়াস কৰে।
- **নৃগোষ্ঠীয় বৰ্ণনা তত্ত্ব ঃ** গুণগত গৱেষণাৰ এক অতি দীঘলীয়া আৰু বহল পৰিসৰৰ পদ্ধতি হৈছে নৃগোষ্ঠী বৰ্ণনা তত্ত্ব। সাধাৰণতে সমূহ আৰু সাংস্কৃতিক অধ্যয়নৰ বাবে এই পদ্ধতি ব্যৱহাৰ কৰা হয়। ইয়াত ব্যক্তিসকলক তেওঁলোকৰ প্ৰাকৃতিক পৰিৱেশত এক দীঘলীয়া সময় পৰ্যৱেক্ষণ কৰা হয়। গৱেষণাৰ মূল বিষয়ৰ দৃষ্টিভংগী অনুসৰি গৱেষকে ব্যক্তি আৰু সংশ্লিষ্ট সমাজখনক পৰ্যৱেক্ষণ কৰে অৰ্থাৎ তেওঁ নিজেও অধ্যয়ন ক্ষেত্ৰৰ অংশ হৈ পৰে। এনে এটা উদাহৰণ হৈছে- কিয় একাংশ সংস্কৃতিত শিশুসকলক ১৪ বছৰৰ পূৰ্বে বিবাহপাশত আৱদ্ধ হোৱাটো বিচৰা হয়?

৬.৩.২ প্ৰাথমিক তথ্যৰ সুবিধাসমূহ

- প্ৰাথমিক তথ্যই গৱেষণাক মৌলিক গুণ, ইয়াত তৃতীয় পক্ষৰ পক্ষপাতিত্ব থকাৰ অৱকাশ নাথাকে।
- প্ৰাথমিক তথ্য এজন ব্যক্তিৰ গৱেষণাৰ ক্ষেত্ৰভিত্তিক হয়। গতিকে প্ৰাথমিক তথ্য কম সময় খৰচী।
- আমাৰ গৱেষণাৰ উদ্দেশ্য অনুসৰি এক পৰিসমাপ্তিত উপনীত হোৱাত প্ৰাথমিক তথ্যই সহায় কৰে।

- প্রাথমিক তথ্য সাম্প্রতিক তথ্য আৰু আমাৰ গৱেষণাৰ সৈতে গভীৰভাৱে সম্পর্কিত হয়।
- প্রাথমিক তথ্য হৈছে প্রথম তথ্য আৰু ইয়াক গৱেষকে নিজৰ গৱেষণাৰ বিষয় অনুসৰি সংগ্রহ কৰে। অর্থাৎ প্রাথমিক তথ্য কাৰো পৰা পোৱা তথ্য নহয়।
- প্রাথমিক তথ্যৰ আন এক সুবিধা হৈছে ইয়াত গৱেষকে কেনেকৈ আৰু কেতিয়া তথ্য সংগ্রহ কৰিব সেয়া নিস্ত্রণাধীন হয়।

৬.৩.৩ প্রাথমিক তথ্য সংগ্রহৰ অসুবিধাসমূহ

- প্রাথমিক তথ্য সংগ্রহ ব্যয়বহুল।
- প্রাথমিক তথ্যৰ বিশ্লেষণ কৰাটো সময় খৰছী।
- প্রাথমিক তথ্যৰ বিশ্বাসযোগ্যতা কম। গৱেষকে কেতিয়াবা ভুল সিদ্ধান্তত উপনীত হোৱাৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি।
- যদি গৱেষণাৰ ক্ষেত্র বিশাল আৰু ব্যক্তিৰ সংখ্যা অধিক হয় তেনেহ'লে প্রাথমিক তথ্য ব্যৱহাৰ কৰিবলৈ অসুবিধা হয়।
- প্রাথমিক তথ্য সংগ্রহৰ সময়ত গৱেষকে প্রায়ে নৈতিক দিশ কিছুমান যেনে সাক্ষাৎকাৰদাতাৰ অনুমতি লোৱা, ক্ষেত্রত এটাই উদ্দেশ্যত কাম কৰা আদি অৱজ্ঞা কৰে।

৬.৪ গৌণ তথ্য-অর্থ আৰু সংজ্ঞা

গৌণ তথ্য হৈছে সেইবোৰ তথ্য যিবোৰ আগৰে পৰা বিভিন্ন উৎসত উপলব্ধ। এই তথ্য এটা নির্দিষ্ট গৱেষণাভিত্তিক নহয়। এয়া সস্তা আৰু প্রাথমিক তথ্যৰ বিপৰীতে কম খৰছত আয়ত্ব কৰিব পৰা বিধৰ। এই তথ্য প্রাথমিক তথ্যৰ তুলনাত যথেষ্ট সহজলভ্য। এই তথ্যৰ কেতবোৰ উৎস হৈছে- লোকপিয়ল, চৰকাৰী বিভাগে াহৰণ কৰা তথ্য, বিভিন্ন সংগঠনৰ ৰেক'র্ড, আন গৱেষণাৰ বাবে সংগ্রহ কৰা তথ্য আদি। প্রাথমিক তথ্যৰ বিপৰীতে গৌণ তথ্যৰ জৰিয়তে বৃহৎ পৰিসৰৰ গৱেষণা কৰিব পৰা যায়। গৱেষক সকলে গৌণ তথ্য পচন্দ কৰে কাৰণ ই সময় বচাই আৰু কম-বেছি পৰিমাণে সঠিক ফলাফল দিয়ে। গৌণ তথ্যৰ বিশ্লেষণত গৱেষকে আগৰে পৰা উপলব্ধ তথ্যৰ অধ্যয়ন কৰে যাৰ জৰিয়তে এই তথ্যসমূহ ভালদৰে বুজি, নতুন প্রক্ষোপটলৈ অনাৰ লগতে তথ্যসমূহ অধিক সমৃদ্ধ কৰিব পৰা যায়।

৬.৪.১ গৌণ তথ্য সংগ্রহৰ উৎস

গৱেষকে সাধাৰণতে দুই ধৰণৰ উৎসৰ পৰা গৌণ তথ্য লাভ কৰে -

- **আভ্যন্তৰীণ বা অপ্রকাশিত উৎস ঃ** চৰকাৰ, সংগঠন, সংস্থা আদিসমূহে কেতবোৰ গুৰুত্বপূর্ণ তথ্য আৰু কার্যাৱলীৰ খতিয়ান ৰেক'র্ড কৰি ৰাখে। এই তথ্যবোৰ প্রায়ে অপ্রকাশিত হৈ ৰয়। এইসমূহেই হৈছে অপ্রকাশিত গৌণ তথ্য। উদাহৰণস্বৰূপে সংসদীয়